# কৃষ্ণচূড়াৰ সুবাস

পৰীস্মিতা দাস *(স্নাতক চতুৰ্থ ষাণ্মাসিক)*

অ' কৃষ্ণচূড়া
আকুল দুচকুৰে তৌলৈ চালো
আকাশ হৈ পৰিল ৰঙচুৰা
মন সুবাসেৰে মতলীয়া
হৃদয়ত বাজিল সুৰ
উন্মনা...উন্মনা

তই যে মোৰ আজন্ম লগৰীয়া
শৈশৱত লগৰীয়াৰ স'তে
তোৰ সৰি থকা পাহি বুটলা
যৌৱনত তোৰেই ছাঁত জিৰণি লোৱা
দুখনি আকুল হৃদয় একেলগ হোৱা
তোৰেই সুবাসেৰে
তোৰেই সুবাসেৰে মন মোৰ বলিয়া।

অ কৃষ্ণচূড়া
যৌৱনৰ বলিয়া বতাহজাক গাত লগাবে পৰা
ক'ত যে ঘটনাৰ সাক্ষী
তই আৰু তোৰ সুবাস...!
কোনোবা অচিনজনৰ স'তে
প্ৰথম চিনাকিৰ হাঁহিটি যত্ন
চাৰি চকুৰ মিলন হৈ
তোৰেই ছাঁত প্ৰেমৰ গজালি মেলা
এদিন দুদিনকৈ দিন বাগৰি গৈ
বিষাদৰ ফুলপাহি হৃদয়ত ফুলা...
কৃষ্ণচূড়া,
সাক্ষী মাথো তই আৰু
তোৰ সুবাস। ♥

*(মহাবিদ্যালয় সপ্তাহৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত কবিতা)*

# কৃষ্ণচূড়াৰ সুবাস

সুভম ভদ্ৰ

*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

পদূলীৰ সেই কৃষ্ণচূড়াজোপাত
ফুলিল ৰঙা বৰণীয়া কৃষ্ণচূড়া ফুল,
দূৰৰ পৰা দেখাত অতি বিতোপন
সুবাস সেই ফুলৰ অতি আমোলমোল।
ক্লান্ত পথিকৰ জিৰণিৰ ঠিকনা
সেই শান্তিৰে ভৰা কৃষ্ণচূড়াৰ তল,
অশান্ত মনৰ অবুজ বেদনা
কৃষ্ণচূড়াৰ সুবাস পালেই সকলো ভোল।
এই ফুল পূজাত অদাহ্য-অলাগতীয়াল
যেন খেতি-কাম সকলো শেষ হোৱাৰ পিছত,
গোহালিৰ কোনো চুকে-কোণে পৰি থকা
খেতিয়কৰ সেই পুৰণা নাঙল হাল।
আশ্ৰয়ৰ ঠিকনা সি অলেখ নিবীহৰ
যি দৃশ্য দেখিবলৈ অতি মনোহৰ,
আঁকোৱালি লয় সি সকলোকে
নাই কোনো জাত-পাত নাই ভেদা-ভেদ। ♥

*(মহাবিদ্যালয় সপ্তাহৰ দ্বিতীয় স্থানপ্ৰাপ্ত কবিতা)*

# কৃষ্ণচূড়াৰ সুবাস

নৰজ্যোতি কলিতা
*স্নাতক চতুৰ্থ ষান্মাসিক*

কলেজৰ চৌহদত
শাৰী শাৰীকৈ
কৃষ্ণচূড়া।
কৃষ্ণচূড়াজোপাৰ তলতেই
বৈ যায়
কলেজীয়া জীৱনৰ
সুখ দুখৰ
এক অনুভূতি।
কৃষ্ণচূড়াৰ আমোলমোল সুবাসত
পাহৰি যায়
কোনোবা প্ৰেমিকে জীৱনৰ দুখ।
কৃষ্ণচূড়াৰ সুবাসত
পৰি ৰয়
প্ৰেমিক প্ৰেমিকাৰ
অতীত গাঁথা।
কোনোবা প্ৰেমিকে
কৃষ্ণচূড়াৰ তলতে
লগ পাইছে
সুন্দৰ প্ৰেমক
যি প্ৰেমত নাথাকে
দৈহিক কামনাৰ লালসা
থাকে মাথো
স্বৰ্গীয় প্ৰেম,
কৃষ্ণচূড়াৰ সুবাসত
কলেজৰ চৌহদটো
আমোলমোলাই থাকে
তাৰোপৰি কৃষ্ণচূড়াৰ
তলত থাকে
ধুনীয়া গাভৰুৰ
খিলখিল হাঁহি।
কৃষ্ণচূড়াৰ সুবাসত
কতজনে পায়
জীয়াই থকাৰ প্ৰেৰণা।
কোনোবা প্ৰেমিক-প্ৰেমিকাৰ
মায়াজালত বন্দী হৈ পৰে
কৃষ্ণচূড়াৰ তল।
এই কৃষ্ণচূড়াৰ সুবাসত
কোনোবা প্ৰেমিক
বন্ধুৱে গায়
জীৱনৰ জয়গান।
কাৰণ তেওঁৰ জীৱনে
প্ৰাণ পাই উঠে
সুন্দৰী প্ৰেমিকাৰ সুবাসত। ♥

*(মহাবিদ্যালয় সপ্তাহৰ তৃতীয় স্থানপ্ৰাপ্ত কবিতা)*

# যাতনা

ৰুমী দাস
*স্নাতক পঞ্চম ষান্মাসিক*
*অসমীয়া বিভাগ*

এনেকৈ মমডাল জ্বলাই নাৰাখিবা
জ্বলি জ্বলি মাথোঁ গলি যাব,
তাতকৈ নুমাই দিয়া
এন্ধাৰ বহুত ভাল।

শূন্যতাত হেৰাই যাবলৈ
আৰু চকুলো লুকুৱাবলৈ...। ♥

# এজন নাবিক গুছি যায়

নিপজ্যোতি বৰ্মন
*স্নাতক তৃতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ*

এজন নাবিক গুছি যায়
সাগৰৰ পাৰে পাৰে
মৰা শামুকৰ খোলাত বিচাৰে
হেৰুওৱা কিবা এটা

বালিৰ ভাস্কৰ্য সাজে
সাগৰৰ ফেনিল ঢৌৱে তচ্‌নচ্‌ কৰে
নাবিকৰ বালিঘৰ
আকৌ সাজে, আকৌ ভাঙে

সকলো দুখ দূৰলৈ দলিয়াই
বালিমাহীৰ স'তে মিতিৰালি কৰে
উমলি থাকে কাঁচিয়লি ৰ'দ অকনমানৰ স'তে

অকলে হাঁহি থাকে নাবিকে
অকলে কান্দি থাকে নাবিকে
বুকুত হেঁপাহ লৈ
দুখৰ বন্দৰত লংগৰ পেলাই ৰৈ থাকে

দুচকুত কে'বাটাও উজাগৰি নিশাৰ আন্ধাৰ
নষ্ট আন্ধাৰৰ পাণ্ডুলিপি আওৰাই
থিয় হয় নাবিক
যুদ্ধৰ পদাতিক সৈনিকৰ দৰে

এজন নাবিক গুচি যায়
সাগৰৰ পাৰে পাৰে
মৰা শামুকৰ খোলাত বিচাৰে
হেৰুওৱা কিবা এটা। ♥

# সন্ধ্যাটি গাভৰু হ'ল

বিউটী গগৈ
*স্নাতক পঞ্চম ষান্মাসিক, নৃতত্ত্ব বিভাগ*

ঘৰমুৱা হোৱা বগলীজাকে
সন্ধ্যাটি নমাইছিল
সুদূৰৰ অচিন চৰাইজাকে গুণগুণাইছিল
পাহাৰীয়া চেমনীয়াৰ গীত
তাৰ ধ্বনীতেই হয়তো
আকাশৰ নীলা আঁচল টানি
লাজ ঢাকিব খোজে
ভৈয়ামৰ ফুলবোৰে
    মোৰ হিয়াৰ উল্লাসখিনিয়ে
    হেঙুলীয়া হ'ব খোজা বৰষুণজাকত তিতি
    মনৰ কোঁচত বোৱাইছিল
    জেতুকাৰঙী সন্ধ্যা
তেনে এটি পৰত
সন্ধ্যাৰ ৰাঙলী ওঁঠৰ ভাষাবোৰে
টোপাটোপে সৰি লহৰ সানিছিল
শিঙৰা নৈৰ গভীৰ বুকুত
    তাৰ গাত লাগি বাজিছেহি
    এক হৃদয় বিদাৰক সুৰ
    উচুপি ৰ'ল দিনৰ পোহৰ
ভাগৰুৱা পশ্চিমীয়া বেলিটিয়ে
বিৰিখত লাগি অপৰূপ ৰহণ সানিছিল
চেঁচা সমীৰ হৈ সন্ধ্যাটি নামিছে
এয়া আকাশ জুমি চোৱা
সন্ধ্যাটি পুনৰ গাভৰু হ'ল... ♥

# ব্যতিক্ৰমী মন

অনামিকা কলিতা
*কলা শাখা, স্নাতক প্ৰথম বৰ্ষ*

চক্‌চকীয়া সাজযোৰ পিন্ধি
সমাজৰ বিশিষ্ট ব্যক্তি এগৰাকী,
দুখীয়া-নিচলা, জাতি-ধৰ্ম নিৰ্বিশেষে
তেওঁ দিয়ে সকলোকে ছলনা ফাঁকি।

হাঁহি হাঁহি কৈ যাব
এইবাৰ এইখিনি নিৰ্মাণ কৰিমেই,
সেইজনেই মনে মনে ভাবি যায়
লাভৰ টকাৰ বোমাৰে তহঁতক মাৰিমেই।

নাই সিহঁতৰ এখন মৰমীয়াল হৃদয়
নাই সিহঁতৰ কথাৰ ভৰষা,
দামী গাড়ী লগত ছিকিউৰিটি লৈ
সেয়াই সিহঁতৰ খেলৰ পাশা।

এইফালে বোমাত কেঁচা তেজৰ গোন্ধ
সেইফালে মিটিঙত বৰ 'বিজি',
খবৰ ল'বলৈ নাই সময়
'বেয়া নাপাব হা, মানে যাব নোৱাৰো আজি।'

সন্ত্ৰাসৰ উৎপাত হৈ যোৱাৰ পিছত
আৰ্মিৰ আহে সকলো নিৰীক্ষণ,
বুকুৰ কুটুম মৰি যোৱাৰ পিছত
সকলো মানুহকে কৰে কাণ-মন।

এফালে ভাল, এফালে বেয়া
এনেকৈ কি হ'ব আমাৰ দেশ,
বিশাল মানুহৰ মাজতনো
সেইজনে কি বা ধৰিছে বেশ।

হৈ ৰ'ল মাক, দেউতাকৰ বুকু হাঁহাকাৰ
হৈ গ'ল দুৰ্ভগীয়া নাৰী বৈধব্য,
মচা গ'ল কপালৰ ৰঙা সেন্দুৰ
সন্তানৰ পিতৃ-মাতৃৰ মৰম স্তব্ধ।

অন্ধ সিহঁত, মানৱৰূপী পশু
ভাবে নেকি ঠগাম যিকোনো প্ৰকাৰে,
চকুলো মচি, মাটিত ঘাম পেলাই
আমিও মানুহ কিন্তু নহয় তহঁতৰ দৰে। ♥

# শান্তি লাগে মাতৃভূমিত

অনুস্মিতা কলিতা
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

আজি পৃথিৱীত
সৎ আৰু সত্যৰ স্থান জানো আছে?
সৎ মানুহৰ প্ৰতিটো খোজত
কিয় দুখৰ প্ৰতিচ্ছবি?
সততেৰে চালো পৃথিৱীক
সত্যৰ জয়গান গাই
প্ৰতিটো খোজত পালো দুখ
অসীমত যাৰ সীমা হেৰায়।

নিজান পৰত গুলী-বাৰুদেৰে
ফাকু খেলি তেজেৰে বোৱাই নদী
নিজ সন্তানৰ হত্যাযজ্ঞ
সহিব পাৰেনে কোনোবা মাতৃয়ে.../

সন্ধ্যাপৰত ধূপ-চাকিৰ সলনি
জ্বলিছে মাথোঁ বিদ্ৰোহৰ অগনি
জনতাৰ বৈছে মাথোঁ চকুপানী...
কিয়নো তুমি নুবুজা জননীক
নকৰিবা পুণ্যভূমিক ৰণস্থলী।

হে বীৰ-বীৰাংগনা
সত্যৰ জয়গান গোৱা
অহিংসা আৰু সত্যৰ বাণীৰে
মাতৃভূমিক শান্তিৰ কোলাত
উমলিবলৈ দিয়া। ♥

# এটি দুখৰ কথাৰে

ময়ূৰী দাস
*কলা শাখা, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

(১)

শেষ নহ'ব নেকি
মোৰ দুখৰ ৰাতিটো
নেদেখিম নেকি মই
পুৱাৰ উজ্বল কিৰণখিনি
সঁচাকৈ মই দুখৰ
আজন্ম প্ৰেমিকা.../ / /

(২)

প্ৰেম...
এটা কথা জানানে তুমি ?
সকলোৰে বুকুৰে বুকুৰে
আছে সেই অনুভূতি।
তুমিহীন জীৱন জীৱন নহয়
আকাশ আকাশ নহয়
মাটি মাটি নহয়
মইয়ো মই নহয়
তুমিহীনতাৰে...
তুমি জানানে ?

(৩)

(সুখ আৰু দুখ...)
দুখন নদীৰ মাজেৰে
আগবাঢ়ে জীৱনৰ বাট
এখন দুখৰ, আনখন সুখৰ...
সপোনৰ এন্ধাৰত দেখো তোমাক
এন্ধাৰত এটোপ এটোপকৈ
দুখত থাকো মই।
তুমি এপিয়লা দুখ এন্ধাৰত
তোমাক পান নকৰাকৈ
পোহৰে কেতিয়াও দিব নোৱাৰে
সুখ।
বেলি ওলাইছে
বুকুৰ উম এৰি গুছি যাবা তুমি?
দুহাত মেলি আওৰাই আহানা
আদৰিববৈলে এবুকু সুখ...।।

# সন্ত্ৰাসবাদ

মৰমী বসুমতাৰী
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, কলা শাখা*

সন্ত্ৰাসবাদ / এই শব্দটোৰ
অৰ্থ বাৰু কি?

কোনে জানে এই সন্ত্ৰাসে আজি
পৃথিৱীৰ পৰা কি বিচাৰিছে...

এইটো শব্দ শুনিলে আজি
পৃথিৱীৰ মানুহৰ গাৰ নোম
শিয়ৰি উঠে/

নেজানো সন্ত্ৰাসে কি বিচাৰিছে
আৰু কি পাব খুজিছে।

যদি পৃথিৱীত শান্তি আনিব খুজিছে
তেতিয়া হ'লে কিয় বোমা-বাৰুদেৰে
নিৰ্দোষী মানুহক উৰুৱাই দিছে.

যদি হিংসা আঁতৰাব খুজিছে
তেতিয়া হ'লে কিয় নিৰ্দোষী
মানুহকো তেজেৰে লুতুৰি-পুতুৰি
কৈ মাৰিছে...।

নেজানো সন্ত্ৰাসে কি বিচাৰিছে
মাথো দুচকুৰে দেখিছো মানুহৰ
আৰ্তনাদ, মানুহৰ হিয়া-ভঙা কান্দোন.

আৰু দেখিছো মানুহৰ তেজেৰে
বৈ যোৱা এখনি নৈ...।।

# জীৱনৰ এটা কলা দিন

কৰবী দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আকৌ আহিব নেকি উভতি
জীৱনৰ সেই কলা দিনটো
লৈ যাবলৈ মানুহবোৰক
দুখ আৰু যন্ত্ৰণাৰ মাজলৈ।

চৌদিশে দেখিছো সন্ত্ৰাসবাদীৰ
বাৰুদৰ ধোঁৱা আৰু ধোঁৱা
নিৰ্দোষী নিৰপৰাধ মানুহক মাৰিছে
মাথোঁ হত্যা আৰু হিংসা।

মানুহৰ দেহৰ এটা এটা অংগ
চূৰ্ণ-বিচূৰ্ণ হৈ পৰি ৰ'ল
কঠোৰ সাধনা আৰু অযুত সপোন
মাটিত মিহলি হৈ গ'ল।

নালাগে আমাক সন্ত্ৰাসবাদ
মাথোঁ কান্দোনৰ ৰোল
শান্তি লাগে অসমত আমাৰ
বিয়পাবলৈ হাঁহিৰ কলৰোল।♥

# অনুৰাগ

শুদ্ধদেৱ বসুমতাৰী
*স্নাতক পঞ্চম যান্মাসিক*

এখনি ক্লান্ত হৃদয়ত ফুটি উঠা
অনুৰাগ কাৰ বাবে?
হৃদয়ৰ বাগিছাত ফুলি ৰোৱা
গোলাপৰ স্নিগ্ধ সুবাস তোমাৰ বাবেই,
কিন্তু ফুলনিৰ গোলাপো আজি
নতুনকৈ ফুলি উঠা নাই
মাথোঁ ফুলিৰোৱা গোলাপেহে
নিতৌ বাট চাই মৰহি আছে
তোমাৰ স্পৰ্শ পাবলৈ
হেৰোৱা ফুলৰ সুবাস
ঘুৰি আহি জানো বিচাৰি পাবা?

সৌ সিদিনাৰ দৰে আজিও
আকাশত পূৰ্ণিমাৰ জোন,
চাৰিওফালে তৰাবোৰো
মাথোঁ তুমিহে কাষত নাই।
হৃদয়ে আজি নেহাঁহে/
নোপোৱাৰ বেদনাতো হাঁহিব বিচাৰো
সকলোকে বিলাই দিব বিচাৰিছো
মোৰ অশ্ৰুশিক্ত নয়নেৰে ভৰা
এটি ক্লান্ত শেতা হাঁহি।।♥

# তোমাৰ চৌদিশে মুখৰিত সৌন্দৰ্য্য


তপন ডেকা

*স্নাতক পঞ্চম যান্মাসিক*

অ' দুচকুৰে প্ৰেম সিঁচিব খোজা ছোৱালীজনী
তুমি মিচিকিয়াই নাহাঁহিবা
মোৰ কলিজাই উশাহ ল'বলৈ পাহৰিব
তোমাৰ প্ৰেমত পাগল হ'ব খুজি
মোৰ উৎপতীয়া কলিজাই
তোমাৰ কাষলৈ ঢাপলি মেলিব খুজিব
পঢ়াৰ টেবুলত বহি থকা তোমাক জোকাই
সি আমনি কৰিব।
মোৰ বাহিৰা বহীৰ শেষ পৃষ্ঠাত
সি তোমাৰ মিঁচিকিয়া হাঁহিকেই দেখিব।
আৰু... আৰু কি কৰিব ?
মোৰ উৎপতীয়া কলিজাই তোমাৰ
মিঁচিকিয়া হাঁহিত বুৰ মাৰি
তোমাৰ হৃদয়ৰ এসাগৰ মৰমত সাঁতুৰিব।

অ' মৰমলগা ছোৱালীজনী
তুমি খোজকাঢ়িলেই চৌদিশে বিয়পি পৰে
হৃদয় আলোড়িত কৰা সৌন্দৰ্য্যৰ সঁফুৰা
তোমাৰ ৰঙা, নীলা, সেউজীয়া দোপাত্তাই
সিঁচি দিয়ে হৃদয়ত প্ৰেমময় সেউজীয়া
তোমাৰ প্ৰতিটো শব্দৰ মিঠা ৰাগিনীয়ে
হৃদয়ত দিয়ে অফুৰন্ত প্ৰেৰণা।

অ' দুচকুৰে প্ৰেম সিঁচিব খোজা ছোৱালীজনী
তুমি মিঁচিকিয়াই নাহাঁহিবা
সাগৰ নীলা তোমাৰ দুচকুৰে
গলাই পেলাব মোৰ হৃদয়ৰ বৰফ
গলি গলি শেষ হৈ যাম মই
তোমাৰ দুচকুৰ এসাগৰ মৰমৰ মাজত।। ♥



# বাৰুদৰ ধোঁৱা

শিল্পীশিখা ৰাভা

*কলা শাখা, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

বাৰুদৰ ধোঁৱা কেউকাষে নামিছে
কেৱল এই বোমা-বাৰুদৰ বাবে
কিমান মানুহ আহত-নিহত হৈছে
কেৱল এই হিংসা-অহংকাৰৰ বাবে।

কিমান কণ কণ ল'ৰা-ছোৱালীয়ে
মাক-দেউতাক হেৰুৱাইছে
কেৱল বোমা-বাৰুদৰ কাৰণে
কিমানজন স্বহীদ হৈছে
এই অসম মাতৃভূমিৰ বাবে।

বাৰুদৰ ধোঁৱা শেষ হৈ যোৱা
শেষ হৈ যোৱা।
নালাগে আমাৰ এই
সোণৰ অসমখনত থাকিব
নালাগে আমাৰ মৰমৰ অসমৰ
মাটি লেতেৰা কৰিব।

আঁতৰ হোৱা বাৰুদৰ ধোঁৱা
পৃথিৱীৰ পৰাই আঁতৰ হোৱা।। ♥

# জীৱনৰ ৰং

মৌচুমী ৰাভা
*উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ, কলা-শাখা*

পাখি মেলি উৰি ফুৰে
উন্মনা মনৰ জীৱন
সুখ-দুখৰ সোৱাদ ল'বলৈ
মানুহে বিচাৰে ধুনীয়া উপৰন।

কোনেও নেজানে কেতিয়া আহে
সুখ-দুখ মানুহৰ জীৱনত
বহুৰঙৰ খেলে খেল
জীৱনৰ শুকুলা ডাৱৰত।

কোনোৱে কান্দে কোনোৱে হাঁহে
তাহানি দিনৰ অতীত সুঁৱৰি
কেতিয়াবাচোন জীৱন আকাশত
কলা ডাৱৰে ধৰে আৱৰি।

মই আজি হাঁহি আছো
কালিলৈ হয়তো কান্দিম
আজি আনন্দৰ সুগন্ধি
হয়তো কালি দুখক আদৰিম।

নিশাৰ শেৱালি সৰে
পুৱতিক কন্দুৱাই
সকলোৱে কান্দিব লাগিব
আপোনজনক হেৰুৱাই।

মায়াময় জীৱনক কন্দুৱায়
পোৱা নোপোৱা বেদনাই
নিজৰ বুলি পৰিচয় দিবলৈ
আজি মোৰ হাতত একোৱেই নাই।

সকলোৰে আছে একো একোখন
বৰ সুন্দৰ হৃদয়
হৃদয় চিনি নোপোৱাজন
সঁচাকৈয়ে বৰ নিৰ্দয়।

কোনোজন মানুহেই নহয়
মনৰ দুখীয়া
ইজনক সিজনৰ লগত
তুলনা কিয় কৰা সমনীয়া। ♥

# অনুৰণন

গোবিন্দ বড়ো
*স্নাতক পঞ্চম ষান্মাষিক*

সিদিনাৰ স্মৃতিয়ে
কঁপাই তুলিছে
সহস্ৰ দেহ-মন
মোৰ

এতিয়াও সজীৱ হৈ
আছে হৃদয়ত
অসংখ্য ঢৌ খেলি
বৈ আছে নৈ
এখনি

কিয় চমকায় উজাগৰি
নিশাই/
এটি কলমৰ খোজত
শব্দৰ স্পন্দন তুলি

শিপাই মেলিছে
মোৰ শেলুৱৈ লগা
বুকুত
এটি-দুটি পুলি
গজি
আশাবোৰ টুপা-টোপে
সৰি।। ♥

# সৰাপাতৰ 'সিৰিক'

নন্দা দেৱী
*প্ৰাণী বিজ্ঞান বিভাগ*

নিৰিবিলি নিজান নিশা
অতি সন্তৰ্পনে
অতি সংগোপনে
ৰৈ আছো মই
সৰাপাতৰ 'সিৰিক' শুনিবলৈ

দেহ-মন জুৰ পৰা
মন কঁপাই যোৱা
শৰীৰ সিৰ্ সিৰাই যোৱা
সেই 'সিৰিক' শুনিবলৈ

মই শুনিব বিচৰা নাই
আন কোনো সৰাপাতৰ শব্দ
বতাহে কোবাই যোৱা
সৰাপাতৰ শব্দ
যি শব্দত নাই
মোৰ কোনো অনুৰাগ
মোৰ কোনো আবেগ অনুভূতি

বতাহে উৰুৱাই অনা
সৰাপাতৰ সেই শব্দত
মই বিচাৰি নাপাওঁ
মোৰ অতীত, মোৰ বৰ্তমান
সেই শব্দ মোৰ নিচেই চিনাকি
যি শব্দই মোক
দিয়ে কেৱল বিমৰ্ষতা

মই বিচাৰিছো সেই 'সিৰিক'
বহু ধৈৰ্য্যৰে
বহু অপেক্ষাৰ মূৰত
বহু আকুলতাৰে
প্ৰাণ চঞ্চল কৰা
বহু সময় বিৰতিত ♥

# মৈত্ৰেয়ী

কুঞ্জ নীলিম দাস
*স্নাতক প্ৰথম ষান্মাষিক*

তুমি সিদিনা মোৰ চকুলৈ,
কিয় চাইছিলা।
চাই জানো কিবা
বিচাৰিছিলা
অ' মোৰ দৰদী মৈত্ৰেয়ী
আহিবানে মোৰ কাষলৈ তুমি
যদি নাহা মোৰ কাষলৈ তুমি
তেন্তে বাৰে বাৰে
কিয় চাইছিলা মোৰ চকুলৈ,
অ' মোৰ দৰদী মৈত্ৰেয়ী
আহিবানে নৈৰ ঘাটলৈ
যদি আহা দুয়ো পাতিম,
সুখ-দুখৰ বহু কথা।
অ' মোৰ দৰদী মৈত্ৰেয়ী,
যদি তুমি নোহোৱা মোৰ
জীয়াই থাকিব নোৱাৰিম মই। ♥

# ছন্দহীন বেদনাত নিচাসিক্ত ভালপোৱা

প্ৰেমিনা ৰাভা
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

উভতি নাযাওঁ নিৰ্বাসিত তোমাৰ ৰাজ্যলৈ,
আলিংগত স্পন্দিত, ওঁঠৰ ফাকেৰে
স্ৰোতধাৰাৰ সংঘাতত নিদ্ৰাহীনতা নিশা
ডেউকা ভাঙি খহে সোণৰ পালেং।
দাবী নকৰো ৰুদ্ধকাৰাৰ দুৱাৰ
ভাঙি প্ৰাপ্য বঞ্চনাহীন হৃদয় টুকুৰা,
কেচা বেদনাবোৰ বুকুত ঘহনি খাই
ৰক্তপাত হোৱা যৌৱন,
জানো, নুবুজা তুমি প্ৰেমৰ সংজ্ঞা
নাই আক্ষেপ, নাই অভিলাষ অভিমান।
নাচালাই যেতিয়া হৃদয় পৰ্দাদাঙি
অপেক্ষা আৰু আকাংক্ষাৰ বিহংগিনীক
অ' মই উন্মাদিনী, উন্মাদ বসন্তৰ
বিলাসী সম্ভাৰ মোৰ বুকুত
নাম দিব পাৰা উৰ্মিমালা, বৰদৈচিলা
শকুন্তলা নাইবা অনিৰুদ্ধৰ গতিত
বিলীন হ'ব খোজা উষা।
বঞ্চনাত জীৱন্তে সমাধিত নিঃপ্ৰাণ বাসনা
কংকাল শাৰীলৈ ৰূপান্তৰিত হয়,
চুম্বনত প্ৰৱেশ কৰা অগ্নি স্পৰ্শই
মোৰ হৃদয়ৰ গভীৰতাত তথাপি কৰে
মৰমৰ গৰ্ভধাৰণ।
তোমাক যেতিয়া দেখো
প্ৰসৱৰ বেদনাত কলিজাত চাতিফুটি কৰে।
জানা ভালপোৱাত ভালপোৱাই
ঢুকি নোপোৱা তোমাৰ এটি মৰীচিকা
এই ভালপোৱা
যাক তুমি নিষ্ঠুৰতাৰে গৰকি গ'লা।♥

# প্ৰতিশ্ৰুতি

সংগীতা বড়ো
*স্নাতক দ্বিতীয় ষান্মাসিক*


বছৰত এবাৰ মাথোন আহা জৱাহৰজ্যোতি
পাহৰি নাযাও তুমি দিয়া প্ৰতিশ্ৰুতি
তোমাৰ বুকুৰ প্ৰতিখিলা পাত
মই লুটিয়াই, লুটিয়াই চাওঁ।
জানোচা মোৰ নামটো তোমাৰ বুকুতে পাওঁ
মোৰ জীৱনৰ কল্পনাবোৰ তোমাক কওঁ।
তুমি অকল মোৰেই নোহোৱা
তুমি সকলোৰেই মৰমৰ।
দুখত নে সুখত তোমাক কোৱা
কথাবোৰ মই নিজেই পাহৰি যাওঁ।
অথচ তুমি জৱাহৰজ্যোতি
তোমাৰ বুকুতেই লিখি ৰখা
মোৰ আটাইবোৰ কবিতাৰ স্বৰলিপি
জৱাহৰজ্যোতি আকৌ আহিবানে তুমি?
দি যোৱা মোক প্ৰতিশ্ৰুতি
মই যে বৈ থাকো
তোমাৰ প্ৰতীক্ষাত পল গণি
সেই কথা জানো নাজানা তুমি।♥

# শিক্ষক

আকবৰ আলী
*স্নাতক পঞ্চম ষাণ্মাসিক*

তিনিটি আখৰেৰে গঠিত
এটি শব্দ 'শিক্ষক'।
কিযে মিঠা তাৰ গুণ গুণ ধ্বনি,
সেই মায়াময় শব্দৰ প্ৰেমত পৰি
ইংৰাজী ১৯০৯ চনত
দিলা খোজ সৃষ্টিৰ পথাৰত
বিলাবলৈ জ্ঞানৰ সৌৰভ
কৰিলা সকলোকে কৰ্ষণ
সিঁচিলা জ্ঞানৰ বীজ।
তোমাৰ আদৰ যতনেৰে
ফুলালা শত শত জ্ঞানৰ কলি
সেই কলিয়ে বিলালে সৌৰভ
বতাহত বিয়পিল তোমাৰ গৌৰৱ।
তোমাৰ ব্যক্তিত্বক সজীৱ কৰি ৰাখিবলে
প্ৰতিবছৰে ৫ চেপ্টেম্বৰত 'শিক্ষক দিৱস'
পালন কৰো সমগ্ৰ দেশতে।

*(ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ স্মৃতিত উৎসৰ্গা)*



# জৱাহৰলাল নেহৰু মহাবিদ্যালয়

**পুষ্পাঞ্জলী ৰাভা**
*স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ*

(সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ১৯৬৪-২০১৪)

জৱাহৰলাল নেহৰু মহাবিদ্যালয়
নামটোত লুকাই আছে
যাদুকৰি সন্মোহন,
প্ৰতিষ্ঠাৰে পৰা চামে চামে আহি আছে
পোহৰ প্ৰয়াসী,
জানে সকলোৰে তুমি বিলাই আছা
জ্ঞান গৰিমাৰ জ্যোতি,
বিলাই আছা শান্তি-সম্প্ৰীতি
অহিংসাৰ অমৃত বাণী
অকৃপণভাৱে দি আছা
মানৱতাৰ বাঞ্চিত প্ৰমূল্য।
মোৰো যে আছিল সপোন
তোমাৰে সাক্ষাৎ হোৱাৰ
হেঁপাহ আছিল বহুতৰ দৰে
দীক্ষিত হ'ম তোমাৰ স্নেহেৰে
সাধনাৰে আশিস লভি
জীৱন জ্বিলিকাম।
দীপ্তিমান জৱাহৰলাল নেহৰু মহাবিদ্যালয়
বিমুগ্ধ মই...
তোমাৰ উদাৰতাত।

# শাওণৰ প্ৰতিশ্ৰুতি

নৱদীপ ৰাভা
*স্নাতক পঞ্চম যান্মাসিক, অসমীয়া বিভাগ*

শাওণৰ ডাৱৰবোৰ ফালি
দিনটোৰ বাবে ওলাই আহিছে ৰ'দালি
ৰ'দ পাই জিলিকিছে পথাৰৰে বুকুখনি

পুৱাই খেদি খেদি টাকুৰীশিঙীয়া গৰুহাল
সেয়া যুৰিছে, দূৰ দলনী পথাৰত
ৰংমন ককাইটিয়ে ।

ৰংমন ককাইটি অ' কেঁচা ঘাঁহ-বন গছকি
কোৰেৰে আলিৰ কাষ কাটি বোকা থেপথিপীয়াই
বান্ধিলিনে নকৈ আলি ?
মৈয়াই যোৱা দ' পথাৰ
ৰুবলৈ আছে যে তোৰ জহা-বৰা-শালি,

পথাৰখনত এতিয়া সেউজীয়া কৰাৰ ৰেঙণী
এয়াযে শাওণৰে প্ৰতিশ্ৰুতি। ❦

# কৃষ্ণচূড়াৰ সুবাস

জাহ্নবী ৰাজবংশী
*বিজ্ঞান শাখা, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

তোমাৰ সুবাসত মুখৰিত হ'ল এই জীৱন
তোমাৰ ছাঁতেই পাহৰি গ'লো জীৱনৰ ক্লান্তি
ভাগৰুৱা পথিকক জিৰণি দিয়া তুমি
ধূলি-মাকতি, ধোঁৱা-বাৰুদৰ পৰাও
এখন্তেক শান্তি দিয়ে তোমাৰ সুবাসে।
তোমাৰ সুবাসে এই বিষাদপূৰ্ণ
গধূলিৰ অন্ত পেলাই
তোমাৰ সুবাসে মনলৈ আনে শান্তিৰ বতৰা
আৰু আনে আশাৰ জোৱাৰ।
তোমাৰ সুবাসে আনে আবেগ
আৰু নিসংগজনক দিয়ে সংগ।
কৃষ্ণচূড়া,
তোমাৰ সুবাসত মোক বিলিন হ'বলৈ দিয়া। ❦

# সপোন

গীতুমণি দাস
স্নাতক চতুৰ্থ ষাণ্মাষিক

অক্টোবৰ মাহৰ এটি কুঁৱলীৰে ভৰা ৰাতিপুৱা। বিনিতাহতৰ ঘৰত এক ব্যস্ত পৰিৱেশ। বিনিতাই নিজৰ প্ৰয়োজনীয় কিতাপ-বহীসমূহ তাইৰ স্কুল বেগত ভৰাই গা-পা ধুই স্কুললৈ যাবলৈ ওলাল। এনেতে পদূলি মূৰৰ পৰা হিয়াই মাত লগালে- " বিনিতা বা, মই আহিলো আহা।" দুয়ো স্কুললৈ ওলাই গ'ল।

বিনিতা দশম শ্ৰেণীৰ ছাত্ৰী। হিয়া তাইতকৈ এক শ্ৰেণী তলত, নৱম শ্ৰেণীত। দুয়ো একে শ্ৰেণীতে নপঢ়িলেও দুয়োৰে মাজত বৰ মিল। হিয়াহ'ত দুখীয়া হোৱা বাবে বিনিতাই নিজৰ পুৰণি কিতাপ-পত্ৰ দি বিনিতাক সহায় কৰে। স্কুললৈ যোৱা ওৰেটো ৰাস্তা বহুত কথা কৈ যায় হিয়াই। আজি পিছে তাই নীৰৱে আছে। তাইৰ মনটো বেয়া যেন অনুভৱ কৰা বিনিতাই সুধিলে-

ঃ কিয় ইমান মনে মনে আছ হিয়া? মন বেয়া নেকি তোৰ? আৰু তই যোৱা এসপ্তাহে স্কুললৈ অহা নাই কিয়? তইতো ইমান দিন স্কুল খতি নকৰ?

বিনিতাৰ কথাত মনে মনে থাকিল হিয়া। দুচকুৰে তাইৰ চকুপানী বৈ আহিল। বিনিতাই আকৌ সুধিলে-

ঃ কি হ'ল অ তোৰ? একো নকৰ কিয়?

ঃ মই আৰু স্কুললৈ আহিব নোৱাৰিম বিনিতা বা।

ঃ এইবোৰ তই কি কৈছ? কিয় আহিব নোৱাৰিবি স্কুললৈ?

ঃ পিতাৰ অসুখ। আজিকালি কামলৈ যাব নোৱাৰে। পিতাৰ বেমাৰ হোৱাৰ পৰা আয়ে চাহবাগানৰ বনুৱাৰ কাম কৰি কোনোমতে পিতাৰ দৰৰ-পাতিৰ বাবে টকা যোগাৰ কৰিছে আৰু ঘৰখনো চলাই আছে। এনে অৱস্থাত মোৰ পঢ়া খৰচ ক'ৰ পৰা দিব? আৰু আয়ে কামত যোৱাৰে পৰা ঘৰৰ আটাইবোৰ কাম ময়েই কৰিব লাগে।

কথা পাতি পাতি দুয়ো স্কুল পালে আৰু প্ৰাৰ্থনা কৰি নিজৰ নিজৰ শ্ৰেণী কোঠালৈ গ'ল। বিনিতাই হিয়াৰ কথাবোৰ ভাবি ভাবি শ্ৰেণীত মনোযোগ দিব নোৱাৰিলে। সময়খিনি তেনেকৈয়ে পাৰ হৈ গ'ল। স্কুল ছুটি হোৱাত দুয়ো পুনৰ গেটত লগালগি হ'ল। দুয়ো একেলগে ঘৰলৈ খোজ দিলে।

বিনিতাৰ মনত হাজাৰটা প্ৰশ্ন। এতিয়াৰ পৰা হিয়াৰ কি হ'ব? তাইৰ পঢ়াৰ সপোনবোৰৰ কি হ'ব? তাই পঢ়াত বহুত ভাল। বহুত মন তাইৰ পঢ়িবলৈ। এনেকৈ ভাবি ভাবি সিহঁত দুয়ো বিনিতাহতৰ ঘৰ পালে। বিনিতাক মাত লগালে হিয়াই-

ঃ বিনিতা বা, ঘৰ পালা। যোৱাগৈ।

ঃ তই আৰু আজিৰ পৰা সঁচাকৈ স্কুললৈ নাহ হিয়া?

হিয়াৰ দুচকু পানীৰে ভৰি পৰিল। তাই একো উত্তৰ দিব নোৱাৰিলে। কিয়নো তাইৰ পঢ়াৰ খুব হেঁপাহ, কিন্তু পৰিস্থিতিয়ে তাইক এনে পদক্ষেপ ল'বলৈ বাধ্য কৰিছে।

হিয়াৰ আৰু সঁচাকৈয়ে স্কুললৈ অহা নহ'ল।

দুবছৰ পিছত। বিনিতা এতিয়া উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। কলেজৰ পৰা কৰিবলৈ দিয়া 'চাৰভে'ৰ কামত বিনিতা হিয়াহতৰ ঘৰ পালেগৈ। পদূলি মুখৰ পৰা তাই হিয়াক মাত লগালে-

ঃ হিয়া, অ হিয়া...

ঃ কোন?— ভিতৰৰ পৰা হিয়াৰ মাক ওলাই আহি সুধিলে।

ঃ নমস্কাৰ। মই বিনিতা। এইটো হিয়াহ'তৰ ঘৰ হয়নে?

ঃ অ হয়। মই হিয়াৰ মাক। কিন্তু হিয়া এতিয়া ইয়াত নাথাকে নহয়। তাইৰ বিয়া হোৱা চাৰি মাহ মান হে হ'ল।

ঃ কি?

ঃ আহ চোন আই, বহ হি। ভিতৰৰ পৰা চকী এখন উলিয়াই আনি বিনিতাক বহিবলৈ দিলে হিয়াৰ মাকে।

ঃ হিয়াৰ বিয়া? খুৰী, আপোনালোকে সেই ১৬ বছৰীয়া ছোৱালীজনীক বিয়া দিলে? প্ৰথমতে আপোনালোকে তাইক পঢ়িব নিদিলে আৰু এতিয়া তাইক বিয়া দি দিলে?

ঃ এহ পঢ়ি-শুনিনো তাই কি কৰিব? ছোৱালী মানুহ, যিমান সোনকালে গৈ নিজৰ ঘৰ চম্ভালে সিমানে ভাল। মোৰ বিয়াৰ সময়ত মই হিয়াতকৈয়ো সৰু আছিলো। মই জানো ঘৰ চলোৱা নাই? কি সুন্দৰকৈ ঘৰ চলাই আছো। ছোৱালী মানুহ ঘৰৰ চাৰিবেৰৰ ভিতৰতে শুৱনি দেখি।

ঃ খুৰী, আপুনি কেনেকুৱা কথা কৈছে? বৰ্তমান মহিলা গৈ চন্দ্ৰ পালে। আপুনি এতিয়াও সেই পুৰণি মনোভাৱ লৈয়েই আছে।

হঠাতে ওচৰৰে ল'ৰা গজেনে উধাতু খাই দৌৰি দৌৰি হিয়াহতৰ চোতাল পালেহি। আহিয়ে সি ক'বলৈ ধৰিলে- "মিনতি বাই, জোৱায়েৰে ফোন কৰিছিল। হিয়াক হেনো জুয়ে পুৰিছে। তাইক গাঁৱৰে চিকিৎসালয়লৈ নিছে। মিনতিয়ে যেনেকৈ আছে তেনেকৈয়ে হাস্পাতললৈ দৌৰিল। বিনিতায়ো পিছে পিছে দৌৰিলে।

হাস্পতাল পাই দেখিলে হিয়াক জুয়ে বেয়াকৈ পুৰিছে। ডাক্তৰে হিয়াক চহৰৰ হাস্পতাললৈ প্ৰেৰণ কৰিছে। মিনতি কান্দোনত ভাগি পৰিল। লগে লগে হিয়াক চহৰৰ হাস্পতাললৈ লৈ যোৱা হ'ল। বিনিতাও ঘৰলৈ ঘূৰি আহিল।

ঘৰ পাই বিনিতাই মাকক আটাইবোৰ কথা বিবৰি ক'লে। বিনিতাৰ মাকৰ মনত হিয়াৰ প্ৰতি দুখ জাগিল আৰু তেওঁ আচৰিত হ'ল- কেনেকৈ মানুহে ফুল এপাহ নুফুলোতে মোহাৰি পেলাব পাৰে।

দুসপ্তাহ পিছত হিয়াক মাকৰ ঘৰলৈ লৈ অহা হ'ল। হিয়া অহা গম পাই বিনিতা আৰু মাকে হিয়াৰ বাবে অলপ ফল লৈ সিহঁতৰ ঘৰলৈ গ'ল। হিয়াহতৰ ঘৰত গৈ বিনিতাহতে গম পালে যে সেইদিনা হিয়াই ৰাতিপুৱাৰ ভাত বনাবলৈ পাকঘৰলৈ গৈছিল। এনেতে চৌকাৰ পৰা তাইৰ চাদৰত জুই লাগে আৰু তাইৰ গাতো জুই লাগিল।

হিয়াৰ মাক-দেউতাকক বিনিতাৰ মাকে ক'লে-

ঃ ছোৱালীক সৰুতে বিয়া দিয়াৰ পৰিণাম কি দেখিলেনে? যিটো বয়সত তাই কিতাপ লৈ স্কুললৈ যাব লাগিছিল, সেই সময়ত এখন ঘৰৰ পৰিয়ালৰ লোকৰ বাবে চাদৰ-মেখেলা পিন্ধি ভাত ৰান্ধিব লগা হৈছে। যিটো বয়স তাইৰ খেলা-ধূলা কৰাৰ, সেই বয়সত তাইৰ কান্ধত আপোনালোকে এখন ঘৰ চম্ভালিবলৈ দায়িত্ব তুলি দিছে। আপোনালোকৰ অজ্ঞতাৰ বাবেই ছোৱালীজনীৰ আজি এনে অৱস্থা হ'ল।

বিনিতাৰ মাকে হিয়াৰ মূৰত হাতখন মৰমেৰে বুলাই দি বিনিতাৰ লগত ঘৰলৈ ঘূৰি আহিল।

হিয়াই তেতিয়া কান্দি আছিল। জুয়ে পোৰাৰ কষ্টৰ লগতে পঢ়িব নোপোৱাৰ বাবেও তাই মনত যথেষ্ট কষ্ট পাইছিল। হিয়াৰ কান্ধত হাত থৈ মাকে ক'লে-

ঃ আমাক ক্ষমা কৰি দে আই। আমি অজ্ঞতাৰ বলি হৈ তোৰ জীৱনৰ আটাইবোৰ সপোন ভাঙি পেলালো।

ঃ আমি যি ভুল কৰিলো, সেই ভুল শুধৰোৱাৰ পথ নাই। কিন্তু মই তোৰ শাহু-শহুৰক অনুৰোধ কৰিম, তেওঁলোকে যেন তোৰ আধৰুৱা শিক্ষা সম্পূৰ্ণ কৰিবলৈ দিয়ে।

হিয়াৰ দুচকু আশাৰ চকুলোৰে ভৰি পৰিল। তাইৰ এনে লাগিল- তাইৰ সমুখত যেন পৰি আছে সপোনৰ এক সোণালী পথ...। ♥

## মহৎ লোকৰ বাণী

*সকলো প্ৰাণীকে নিজৰ সমান বুলি ভাবিবা। সকলো প্ৰাণীৰ প্ৰতি দয়া অনুভৱ কৰিবা।*

— শংকৰদেৱ